بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**জাৰ্মানৰ বাৰ্ষিক জলছা সফল ভাৱে অনুষ্ঠিত হোৱা পৰিচালক বিভাগ আৰু কৰ্মীবৃন্দ সকললৈ সামান্য নচিহত আৰু জলছাত অংশ গ্ৰহণকাৰী অতিথি সকলৰ মন্তব্য**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৮ চেপ্তেম্বৰ ২০২৩ চনত মছজিদ বায়তুল ছবুহ ফ্ৰাঙ্কফোৰ্ট জাৰ্মানীত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهٗ لَا شَرِيۡكَ لَهٗ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهٗ وَرَسُوۡلُهٗ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ۔ الرَّحۡمٰنِ الرَّحِيۡمِ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ۔ اِيَّاكَ نَعۡبُدُ وَاِيَّاكَ نَسۡتَعِيۡنُ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ۔ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আল্লাহ তা'লাৰ অশেষ কৃপা আৰু দয়া যে জামাত আহমদীয়া জাৰ্মানীৰ বাৰ্ষিক জলছা যোৱা সপ্তাহত সফলতাৰে অনুষ্ঠিত হৈ গৈছে। পোনপ্ৰথমে আমি আল্লাহ তা'লাৰ শলাগ ল'ব লাগিব যে সি আমাক বহুদিনৰ পিছত আকৌ সাধাৰণ পৰিৱেশ পৰিস্থিতিৰ মাজত বিশাল জন সমাবেশৰ সৈতে এই জলছা অনুষ্ঠিত কৰাৰ তৌফিক দান কৰিছে। জলছাৰ পৰিচালক বৃন্দ আৰু যোগদান কৰা অতিথি বৃন্দই আল্লাহ তা'লাৰ শলাগ লোৱা উচিত। কৰ্মীবৃন্দও আল্লাহ তা'লাৰ প্ৰশংসা কৰা উচিত যে আল্লাহ তা'লা সিহঁতক হজৰত মছীহ মাওউদ (আঃ)ৰ অতিথি সকলৰ সেৱা কৰাৰ সুযোগ দান কৰিছে। ইমান ডাঙৰ ব্যৱস্থাপনাৰ মাজত হয়তো কৰবাত দুই এটা দুৰ্বলতা থাকি যাব পাৰে আৰু হয়তো কিছুমান অতিথিৰও কষ্টও হৈছে। যিহেতু তেওঁলোকে ধৰ্মক উদ্দেশ্য কৰি ইয়ালৈ আহিছিল সেয়ে তেওঁলোকে কোনো ধৰণৰ অভিযোগ আপত্তি কৰা নাই। কিন্তু মই জানিব পৰিছো যে কিছুমান বস্তুৰ যোগান দিব পৰা নাই।

কৰ্মীবৃন্দই বৰ কষ্টৰ মাধ্যমে নিজৰ নিজৰ দায়িত্ব পালন কৰিছে। যতেই যি বিভাগত কোনো ধৰণৰ দুৰ্বলতা প্ৰকাশ পাইছে সেয়া সেই বিভাগৰ বিষয়া বৰ্গৰ ভুল নিৰ্দেশৰ বাবে প্ৰকাশ পাইছে। যতেই অতিথি বৃন্দৰ কষ্ট হৈছে তাৰ বাবে সেই বিভাগৰ অফিচাৰ সকল দায়ী। তেওঁলোকে ভৱিষ্যতলৈ ইস্তেগফাৰ কৰা উচিত আৰু নিজকে সংশোধন কৰি লোৱাৰ প্ৰয়োজন আছে।

লিফট বিফল হৈ পৰা,বাথৰুম কম হৈ যোৱা সঠিক ভাৱে পানীৰ যোগান নিদিয়া, গাৰ্ড সকলে যতে ততে বাধা বিপত্তি কৰা, অনুবাদ কৰাত অসুবিধাই দেখা দিয়া, শব্দ ছাউণ্ড ছিছটাম ঠিক নোহোৱা আদি নানা সমস্যাৰ সন্মুখীন হ'ব লগা হৈছিল। কিছুমান অতিথিয়ে জনাইছিল যে তেওঁলোকে খোতবা শুনিবলৈ পোৱা নাই। জলছা চলাকালীন অৱস্থাত মই এই সমস্যা সম্পৰ্কে মনত পেলাই দিছো। যাতে পৰিচালক বিভাগে ইয়াৰ বিহিত ব্যৱস্থা ল'ব পাৰে। জলছাৰ অফিচাৰ সকল,জলছা ময়দানৰ দায়িত্বত থকা পদবীদাৰ আৰু ছাউণ্ড ছিষ্টামৰ অফিচাৰ সকলে এই বিষয়ে

দায়ী। মানুহে ইয়াতে জলছা শুনিবলৈ আহিছিল যদি সেয়া শুনোৱাৰ ব্যৱস্থা ঠিক নহয় তেন্তে জলছাৰ লাভালাভ কি হৈছে। বাকী অন্যান্য বিভাগত কিবা অসুবিধা হলেও কেনেবাকৈ চলিব পৰা যায়, কিন্তু জলছাৰ প্ৰোগ্ৰাম ভালদৰে শুনাৰ ব্যৱস্থা ঠিক নহলে চলিব পৰা নাযায়।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে এই জলছা কোনো ধৰণৰ উৎসৱ বা মেলা নহয় যে তাতে আহি লোক জমা হ'ব। ছাউণ্ড ছিষ্টাম ঠিক নোহোৱাৰ বাবে ঠাইয়ে ঠাইয়ে মানুহে মেলাৰ দৰে কোলাহাল কৰিছে। হুজুৰ (আইঃ)য়ে কয় যে মোৰ অনুমান হৈছিল যে প্ৰায় সাত আঠ হাজাৰ লোক হ'ব যিসকলে ভালদৰে জলছাৰ প্ৰোগ্ৰাম শুনিব পৰা নাছিল। পৰিচালক কমিটিৰ ফালৰ পৰা অতিথি সকলক ইয়াৰ বাবে দায়ী বুলি ক'ব বিচাৰিছে। যদি লোক সকলে কোলাহলত লিপ্ত হৈছে তেওঁলোকৰ তৰবিয়তৰ অভাৱ আছে আৰু মিচনাৰী ইনচাৰ্জ আৰু মুৰববী ছিলছিলাৰ লোক সকল দায়ী। তেওঁ আৰু কয় যে কিয় গোটেই বছৰটোত লোকক তৰবিয়ত দিয়া হোৱা নাই। যিয়েই নহওক লোকক দোষাৰোপ কৰা ঠিক নহয়। আহমদী সকলক কোনো কথা মনত পেলাই দিলেই সাধাৰণতে সেয়া আমল কৰি থাকে। এই বাৰৰ জলছাত মহিলা সকলৰ মাজত পুৰুষৰ তুলনাত তৰবিয়ত বিভাগে নিজৰ কথা বেছি চিন্তা কৰা উচিত।

উন্নয়নকামী সম্প্ৰদায়ে নিজৰ সকলো দুৰ্বলতাৰ ফালে চোকা দৃষ্টি ৰাখিব লাগিব যে কৃতকাৰ্যতাৰে মূখ দেখিব পাৰিব। সকলো ভাল বুলি কৈ উন্নতিৰ বাট ৰূদ্ধ নকৰিব আৰু এয়া কোনো লাজৰ বিষয় নহয়। আল্লাহ তা'লা সকলো বিভাগৰ অফিচাৰ সকলক নিজৰ সংশোধনৰ বাবে সৌভাগ্য দান কৰক। ইমানবোৰ দুৰ্বলতা থকা সত্ত্বেও আল্লাহ তা'লা আমাৰ প্ৰতি দয়া কৰিছে যে সি আমাৰ দুৰ্বলতা সমূহ ঢাকি ৰাখিছে আৰু জলছাত উপস্থিত হোৱা অতিথি সকলে ভালেখিনি প্ৰভাৱিত হৈছে। জামাত আহমদীয়া জাৰ্মানীয়ে আল্লাহ তা'লাৰ বিশেষ ভাৱে শলাগ লোৱা উচিত এই কাৰণেই যে আল্লাহ তা'লা এই জলছাৰ জৰিয়তে মানুহক প্ৰকৃত ইছলাম আৰু ইয়াৰ অনিন্দ শিক্ষাৰ সৈতে পৰিচিত কৰোৱাৰ সুযোগ প্ৰদান কৰিছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে জলছাত অংশ গ্ৰহণ কৰা অতিথি সকলৰ কিছুমান মন্তব্য বৰ্ণনা কৰোতে উল্লেখ কৰে যে বলগেৰিয়াৰ এগৰাকী ঈছাই মহিলা বেৰবনিকা চাহিবা পি,এইচ,ডি ডিগ্ৰীদাৰী আৰু পেশাত অধিবক্তা, তাই কয় যে ইয়াতে ইমান সুন্দৰ জলছা অনুষ্ঠিত হৈছে যে কাৰো মূখত কোনো ভয়ভাৱ নাই, ক্লান্তি নাই। মোক এই জলছাৰ ৰূহানি পৰিৱেশ বাৰুকৈয়ে মুগ্ধ কৰিছে। বুলগেৰিয়াৰ আন এগৰাকী মহিলা নাতালিয়া চাহিবাই কয় যে এই জলছাই মোৰ অন্তৰত এক নতুন ছবি অঙ্কিত কৰিছে। মই এয়া প্ৰথমবাৰ হেজাৰ হেজাৰ মুছলমানক একেলগে উপাসনা কৰোঁতে দেখিবলৈ পাইছো। সকলোৱে হাঁহি মূখেৰে কথা-বতৰা পাতি থকা দেখিছো। যুগৰ খলিফাৰ ভাষণ বৰ মন মুগ্ধকৰ আছিল।

মকদুনিয়াৰ এজন ঈছাই সাংবাদিকে কয় যে জলছাৰ তনজিম বিলাক বৰ উচ্চ মানদণ্ডৰ। মোৰ বাবে এয়া বৰ গৌৰৱৰ কথা যে মই এই জলছাত যোগদান কৰিব পাৰিছো, য'ত বিভিন্ন ধৰ্ম সংস্কৃতিৰ লোক আহি যোগদান কৰিছে। মকদুনিয়াৰ আন এজন সাংবাদিকে কয় যে যুগৰ খলিফাৰ বিভিন্ন বিষয় সমূহৰ ওপৰত দিয়া ভাষণে মোক বৰকৈ প্ৰভাৱিত কৰিছে। ইয়াতে আহি বহু সংখ্যক আহমদী মুছলমান সকলৰ সৈতে কথা-বতৰা পতাৰ সুযোগ পাইছো। এওঁলোকে বৰ মৰম আৰু হাঁহি মুখেৰে কথা-বতৰা পাতিছে আৰু ভাল পোৱা সকলোৱে সৈতে ঘৃণা কাৰো সৈতে নাই সক্ৰিয় আদৰ্শ প্ৰদৰ্শন কৰিছে। মই ভাৱো এই মোটৰ ওপৰত বিশ্বব্যাপী শান্তি প্ৰতিষ্ঠিত হ'ব পাৰে।

শ্লোভাকিয়াৰ এগৰাকী মহিলা নাম টিছাৰ মাৰটিনা, গঙ্গৰীয়ানী তাই কৈছে যে মই অতিথি সৎকাৰ এনে দৃশ্য

কতো দেখিবলৈ পোৱা নাই। এওঁলোকে নামাজ আৰু বয়াতৰ সময়ত নিজৰ ব্যাকুলতাক চম্ভালি ৰাখিব নোৱাৰা হয়। নিজকে ভাঙি পৰা দেখিবলৈ পোৱা যায়। শ্লোভাকিয়াৰ আন এজন অতিথিয়ে কয় যে মই এই জলছালৈ অহাৰ আগতে ইছলাম সম্পৰ্কে একো নেজানিছিলো। জলছাত যোগদান কৰি মই আল্লাহ তা'লা আৰু তাৰ ৰছুলৰ মৰ্যদা সম্পৰ্কে জ্ঞান লাভ কৰিলোঁ। আহমদী সকলে বৰ মন প্ৰাণেৰে অতিথি সকলৰ সেৱা কৰি গৈছে। শ্লোভাকিয়াৰ আৰু এজন অতিথিয়ে কয় যে আহমদী সকলৰ চৰিত্ৰ আৰু অতিথি পৰায়ণতাই মোক বাৰুকৈয়ে মুগ্ধ কৰিছে। আহমদী সকল নিজৰ ধৰ্মৰ ওপৰত সঠিক ভাৱে আমল কৰোঁতা লোক। আলবানিয়াৰ এজন অতিথি চিকিৎসা বিভাগৰ অধ্যাপক তেওঁ কয় যে এই জলছা বৰ মহত্বপূৰ্ণ জলছা হয়। এই জলছাত মই দেখিলো খিলাফতেই এওঁলোকৰ ঐক্যৰ মূল আধাৰ।

বছনিয়াৰ পৰা অহা ইতিহাসৰ অধ্যাপক হাৰিছ ডাঙৰীয়াই কয় যে জলছাৰ সকলো বস্তু পৰিকল্পিত আছিল। বৰ ভাল ব্যৱস্থাপনা আছিল। যুগৰ খলিফাৰ প্ৰথম ভাষণেই সকলো বস্তু মোৰ মগজুত স্পষ্ট কৰি দিছিল। তেখেতৰ সাক্ষাতে মোৰ মনত বিশেষ সাঁচ বহুৱাই গৈছে আৰু মই বাৰুকৈয়ে শান্তি উপলব্ধি কৰিছোঁ। বুছনিয়াৰ ৰেডক্ৰছৰ চেক্ৰেটাৰী ইন্দ্ৰাহায়দৰ ডাঙৰীয়ানীয়ে কয় যে যুগৰ খলিফাৰ সাক্ষাত বৰ প্ৰশান্তিময় আছিল। খিলাফতৰ গোটেই বিশ্বৰ আহমদী সকলক এনাজৰীৰ বান্ধনেৰে বান্ধি ৰাখিছে। মই মুছলমান হোৱাটো মোৰ বাবে গৌৰৱ অনুভৱ হৈ পৰিছে।

জৰ্জৰিয়াৰ এগৰাকী মহিলা অতিথিয়ে কয় যে মই এয়া প্ৰথমবাৰ জলছা দেখিবলৈ পাইছো। সৰু ডাঙৰ সকলোৱেই বৰ মনোযোগেৰে সৈতে নিজৰ নিজৰ কাম কৰি আছে। আলমী বয়াতৰ দৃশ্য চাই নিজকে নিজে নিয়ন্ত্ৰণ কৰা কঠিন হৈ পৰিছিল। জামাতৰ খলিফাই কলমৰ জিহাদৰ জ্ঞান আৰু ধাৰণা আমাৰ আগত স্পষ্ট ভাৱে দাঙি ধৰিছে যাক মই ইতিবাচক সহাৰি জনাইছো। মোৰ দৃঢ় বিশ্বাস আছে যে ভৱিষ্যতলৈ বিশ্বই ইছলামৰ ফালে চিন্তা -ভাৱনা কৰিব আৰু ইয়াৰ জৰিয়তে খোদা তা'লাক চিনি লওঁতা হ'ব।

জৰ্জিয়াৰ এজন মুছলিম অতিথিজনে ঈছাইত এৰি ইছলাম গ্ৰহণ কৰিছে তাৰ পিছত মদিনাত অৱস্থান কৰিছে। তেওঁ কয় যে শুনিছো আহমদী সকলে কাফিৰ হয় আৰু তেওঁলোকৰ বিশ্বাসও বেলেগ। মই জলছাত আহি জামাতক অতি ওচৰৰ পৰা দেখিছো, যুগৰ খলিফাৰ ভাষণ শুনিছো আপোনালোকক কাফিৰ বুলি কোৱাটো ভুল। জলছাৰ এই তিনিটা দিনত মই মোৰ সকলো প্ৰশ্নৰ উত্তৰ পাইছো।

কছুদোৰ পৰা অহা এজন শিক্ষা প্ৰবন্ধকে কয় যে জলছাৰ মাজত চলা ভাষণ শুনিছো এয়া মোৰ মানস পটত অঙ্কিত হৈ থাকিব। ইয়াতে পোৱা অতিথি আলপৈচান আমাৰ সদায় মনত থাকিব। কছুদোৰ এজন মেয়ৰ চাহাবে কয় যে এই বিশাল জনসমাবেশৰ জলছাত একতা আৰু ভ্ৰাতৃত্যবোধৰ দৃশ্যই মোৰ হৃদয়ত সাঁচ বহুৱাই গৈছে। যুগৰ খলিফাৰ ভাষণ আলোড়ণ সৃষ্টিকাৰী ভাষণ আছিল। অতিথি আলপৈচানৰ দৃশ্য বিস্ময়কৰ আছিল।

কেমেৰুণৰ পৰা অহা এজন ইমাম চাহাবে কয় যে মই জীৱনৰ প্ৰথমবাৰ ইমান ডাঙৰ প্ৰোগ্ৰামত যোগদান কৰিবলৈ সুযোগ পাইছো। ইয়াতে আচৰিত বিষয়টো হ'ল এয়া যে এই জলছাত বিভিন্ন জাতি বৰ্ণৰ লোকে আহি এটা পৰিয়ালৰ দৰে মিলিছে। ইমাম জামাতৰ ভাষণ গভীৰ তত্ত্ব সম্বলিত আৰু ইছলামী শিক্ষাৰ আধাৰ স্বৰূপ আছিল। যদি আমি এইবোৰৰ ওপৰত আমল কৰো তেন্তে জীৱনটোৱে জান্নাতত পৰিণত হ'ব।

লিথবানিয়াৰ এগৰাকী মহিলা যিজনীয়ে স্বইচ্ছায় ইছলামী অচুল কি ফিলাছফী কিতাপখন লিথবানিয়েন ভাষাত অনুবাদ কৰিছে তাই কয় যে জামাতৰ বাৰ্ষিক জলছায় মোক এই জামাতক পৰীক্ষণ কৰাৰ সুন্দৰ সুযোগ দিছে। দেখিছো, জামাতে আহমদীয়াই নিজৰ মটোৰ ওপৰত সঠিক ভাৱেই আমল কৰি আছে।

তুৰস্কৰ এজনী মহিলা টাইছৰীয়া ছমেইল চাহিবা, তাই এতিয়া জমনীত থাকে। মহিলাজনীয়ে কৈছে যে যুগৰ খলিফাৰ ভাষণেই মোৰ সকলো প্ৰশ্নৰ উত্তৰ। জলছাৰ পৰিৱেশ বৰ ভাল লাগিছে। বিশাল জনসমাগম ইয়াতে সকলোৰে প্ৰেম-প্ৰীতি বজায় ৰখাটো অসাধাৰণ আৰু আচৰিত কথা আছিল। ছৰবিয়াৰ পৰা অহা এজন জাৰ্নালিষ্টে কয় যে জলছাৰ সুন্দৰ ব্যৱস্থাপনায় আমাক আচৰিত বনাইছে। না পৰিচালনা বিভাগত না ইয়াতে জমা হোৱা চল্লিশ হাজাৰ লোকৰ মাজত কোনো ধৰণৰ বেয়া একো দেখিবলৈ পাইছো। ছৰবিয়াৰ আন এজন জাৰ্নালিষ্টে কয় যে মোৰ হৃদয়ত পৰিচালক বিভাগ জলছা আৰু জলছাত যোগদানকাৰী সকললৈ শ্ৰোদ্ধা জাগিছে। যুগৰ খলিফাৰ মহিলা সকললৈ প্ৰদান কৰা ভাষণে বাৰুকৈয়ে প্ৰভাৱিত কৰিছে।

জাৰ্মান ঈছাই কেথলিক টি.ভিৰ এজন প্ৰতিনিধিয়ে কয় যে যুগৰ খলিফাৰ ভাষণ বৰ প্ৰভাৱশালী আছিল। তেখেতৰ ভাষণ এনেকুৱা আছিল যে কেৱল শুনিলেই যথেষ্ট নহয়, তাৰ ওপৰত দাৰ্শনিক ভাৱে চিন্তা কৰাৰও প্ৰয়োজন আছে। এজনী জাৰ্মান মহিলা যিজনীয়ে ৰীতিমত উৰুণি পিন্ধি বহি আছিল তাই কয় যে ভাষণ চলাকালীন মোৰ হৃদয়ত এনেকুৱা প্ৰতিফলন ঘটিছিল যে মোৰ চকু পানী নিগৰি আহিছিল। খলিফাৰ কথাবোৰে হৃদয় ছুই গৈছিল।

জাৰ্মানীৰ জলছাত মিডিয়া কভৰেজ ভাল হৈছিল। চাৰিটা টি.ভি চ্যানেলৰ জৰিয়তে ৪১ মিলিয়ন, এঘাৰটা বাতৰি-কাকতৰ জৰিয়তে ৫০ মিলিয়ন, পাঁচটা ৰেডিঅ চেণ্টাৰৰ জৰিয়তে ১৪ মিলিয়ন আৰু অন লাইনৰ জৰিয়তে ২ মিলিয়ন লোক লৈ খবৰ প্ৰেৰণ কৰা হৈছে। এওঁলোকৰ ধাৰণা যে এনেদৰে প্ৰায় ১ শ ৮ মিলিয়ন মানুহলৈ জলছাৰ খবৰ পৌচায়। আল্লাহ তা'লা ইয়াৰ উত্তম ফলাফল দান কৰক।

বিভিন্ন লোক জনৰ যিবোৰ মন্তব্য বৰ্ণনা কৰা হৈছে তাতে আল্লাহ তা'লাৰ কৃপা এয়া যে সি আমাৰ দুৰ্বলতা সমূহ নিন্দমুক্ত ৰাখিছে। বিভিন্ন মছজিদৰ শুভাৰম্ভনীত লোকে বিভিন্ন ধৰণৰ মত পোষণ কৰে যে ইছলাম সম্পৰ্কে আমাৰ ধাৰণা সলনি হৈ গৈছে। অভিযোগ উত্থাপন কৰি থাকে যে আমাৰ ওয়াকফে আহমদী সকলে আমাক ইছলামৰ সুন্দৰ শিক্ষা সম্পৰ্কে জনোৱা নাই। গতিকে প্ৰত্যেক আহমদীয়ে ইছলাম আৰু হজৰত মছীহ মাওউদ (আঃ)ৰ পৰিচয় লোকক দিয়া উচিত। কেৱল প্যামপ্লেট বিতৰণ কৰিলেই উদ্দেশ্য সফল নহয়। মানুহৰ ধৰ্মীয় কথাবোৰ শুনাৰ ইচ্ছা আছে।

আমি সকলো ক্ষেত্ৰতেই আমাক গমি চোৱা উচিত। আমি আমাৰ দুৰ্বলতাবোৰ চালি জাৰি উলিয়াই সেইবোৰ দূৰ কৰা উচিত। ভালকৈ আগুৱাই যোৱাৰ বহুত উপায় আছে। বেছি বেছি উন্নতি আনয়নৰ চেষ্টা কৰিব লাগিব। দোৱাৰ সৈতে আল্লাহ তা'লাৰ পৰা সহায় বিচাৰি কাম আৰম্ভ কৰিব লাগিব।পৰিচালক মণ্ডলী আৰু যোগদানকাৰী সকলে সদায় জলছাৰ উদ্দেশ্য পূৰণৰ চেষ্টা কৰিব লাগিব। আল্লাহ তা'লা আমাৰ ওপৰত ৰহমত নাযিল কৰক আৰু ভৱিষ্যতলৈ সকলোকে উত্তম ভাৱে জলছাৰ উদ্দেশ্য পূৰ্ণ কৰাৰ তৌফিক দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَّآ اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844**